Prepp
Your Personal Exams Guide

Language Code : **03**

# FSC-26-I

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

**प्रश्न-पत्र-I / PAPER-I**
**असमीया भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग-IV & V / PART-IV & V**

मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code
**E**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं OMR उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **E**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, OMR उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the OMR Answer Sheet.
5. The CODE for this Language Booklet is **E**. Make sure that the CODE printed on **Side-2** of the OMR Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

Prepp
Your Personal Exams Guide

Language Code : **03**

# FSC-26-I

**কাকত-I**

**অসমীয়া ভাষা**

**খণ্ড-IV & V**

পৰীক্ষা বহীখনৰ কোড

**E**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা ঃ***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰপৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **E** এইটো নিশ্চিত কৰা যে OMR উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমু ধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰপৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰপৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে : ____________________

পৰীক্ষা কেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

→

Prepp
Your Personal Exams Guide

# PART-IV

## LANGUAGE-I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ** তলত দিয়া ৰচনাখণ্ড মনোযোগেৰে পঢ়ক আৰু তাৰ পৰা দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **91** -ৰ পৰা **99** লৈ) আটাইতকৈ শুদ্ধ উত্তৰটো নিৰ্বাচন কৰি উত্তৰ কৰক।

মাউণ্ট এভাৰেষ্ট পৃথিৱীৰ উচ্চতম গিৰিশৃংগ বুলি জানো, কিন্তু শৃংগটো বগুৱা দূৰৰ কথা - এশ ক্ৰোশ দূৰৰ পৰাও আজিলৈকে শৃংগটো দেখি পোৱা নাই। ঠিক সেইদৰে এডৱাৰ্ড গিবনক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক বুলি জানো, কিন্তু বিক্ষিপ্ত দুই-এটা উদ্ধৃতিৰ বাহিৰে তেওঁৰ অবিনাশী কীৰ্তিস্তম্ভ 'ডি ডিক্লাইন এণ্ড ফল অব ডি ৰোমান এম্পায়াৰ' নামৰ মহাগ্ৰন্থৰ এটা পৃষ্ঠাও মই আজিলৈকে পঢ়ি পোৱা নাই। (মৰাৰ আগতে পঢ়িম বুলি আশা কৰিছোঁ।) গিবনৰ ৰচনাৰ লগত অকণো পৰিচিত নোহোৱাকৈ মইনো তেন্তে তেওঁৰ বিষয়ে কি লিখিবলৈ ওলাইছোঁ ?

দাৰ্শনিক শ্বপেনহাৱাৰে কৈছিল যে পৃথিৱীত এতিয়ালৈকে যিমানবোৰ কিতাপ ৰচিত হৈছে সেইবোৰৰ ভিতৰত মাত্ৰ কেইখনমানহে পঢ়িবৰ যোগ্য। মই শ্বপেনহাৱাৰৰ লগত একমত নহওঁ। কিন্তু যদি ধৰিও লোৱা হয় যে মাত্ৰ কেইখনমান কিতাপহে পঢ়িবৰ যোগ্য, সেইকেইখন কিতাপ পঢ়িবলৈকো মাত্ৰ এটা জীৱনত সময় হয়নে ?

এইখিনিতে লৰেঞ্চ ডাৰেলৰ কথা মনত পৰিছে। 'আলেকজেণ্ড্ৰিয়ান কোৱাৰ্টেট' নামৰ উপন্যাসমালাৰ লেখক ডাৰেল। এবাৰ তেওঁ কাৰোবাৰ অনুৰোধত পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ এশখন কিতাপৰ এখন তালিকা প্ৰস্তুত কৰিছিল। তেওঁৰ সেই তালিকাত মিল্টনৰ 'পেৰাডাইজ লষ্টে'ও ঠাই পাইছিল। কিন্তু ডাৰেলে স্বীকাৰ কৰিছে যে তেওঁ 'পেৰাডাইজ লষ্ট' কেতিয়াও পঢ়া নাই!

ময়ো হয়তো গিবনৰ 'ডিক্লাইন এণ্ড ফল' নপঢ়াকৈয়ে কিতাপখন 'এশখন সৰ্বশ্ৰেষ্ঠ কিতাপ'ৰ তালিকাত ঠাই দিব পাৰিলোঁহেঁতেন আৰু তাৰ কাৰণে মোক অকণো দোষে চুব নোৱাৰিলেহেঁতেন। কিন্তু 'এশখন সৰ্বশ্ৰেষ্ঠ কিতাপ'ৰ তালিকা প্ৰস্তুত কৰা মোৰ উদ্দেশ্য নহয় আৰু সেই কাম কৰিবলৈ মোক কোনেও কোৱাও নাই। একোজন মানুহে এনে এখন মহাগ্ৰন্থ কেনেকৈ অকলেই ৰচনা কৰিব পাৰে আৰু সেই অমানুষিক পৰিশ্ৰমৰ বিনিময়ত তেওঁ কি পায়— কেৱল সেই কথা জনাটোৱেই মোৰ উদ্দেশ্য।

প্ৰথমে গিবনৰ জীৱনৰ এটি চমু পৰিচয় দি লোৱাটো বোধহয় ভাল হ'ব। যিজন মানুহ পিছৰ জীৱনত পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক বুলি পৰিচিত হৈছিল আৰু যাৰ অনুপম গদ্যশৈলীয়ে দুশ বছৰ ধৰি অগণিত পাঠকক মন্ত্ৰমুগ্ধ কৰি ৰাখিছে, সেই এডৱাৰ্ড গিবনে (১৭৩৭ - ১৭৯৪) ছাত্ৰাৱস্থাত কোনো অসাধাৰণ বুদ্ধিমত্তাৰ পৰিচয় দিব পৰা নাছিল। ক'বলৈ গ'লে ছাত্ৰ হিচাপে তেওঁ আছিল অতি সাধাৰণ বিধৰ ল'ৰা। পোন্ধৰ বছৰ বয়সত তেওঁ অক্সফোৰ্ডৰ মেগ্‌ডালেন কলেজত ভৰ্তি হয়। জগদ্বিখ্যাত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ তেতিয়া কিন্তু অতি শোচনীয় অৱস্থা। পঢ়া-শুনা বিশেষ নহয় বুলিয়েই ক'ব পাৰি। কিন্তু অধ্যাপকসকলৰ পৰা বিশেষ সহায় নাপালেও গিবনে নিজে প্ৰচুৰ কিতাপ পঢ়িছিল। ৰোমান সাম্ৰাজ্য যেনেকৈ একেদিনাই গঢ়ি উঠা নাছিল, ঠিক তেনেকৈ ৰোমান সাম্ৰাজ্যৰ ইতিহাস ৰচনাও জানো সুদীৰ্ঘ প্ৰস্তুতিৰ অবিহনে সম্ভৱ ? সি যি কি নহওক, গিবন অক্সফোৰ্ডত থাকোঁতেই এটা ঘটনা ঘটিল। তেওঁ প্ৰটেষ্টাণ্ট ধৰ্মমত ত্যাগ কৰি ৰোমান কেথলিক ধৰ্মমতত দীক্ষিত হ'বলৈ মন মেলিলে। তেওঁৰ মতি গতি দেখি তেওঁৰ অভিভাৱকসকল আতঙ্কিত হৈ তেওঁক কলেজৰপৰা নাম কটাই এৰুৱাই আনিলে আৰু জোৰকৈ ছুইজাৰলেণ্ডৰ লুছান চহৰলৈ পঠাই দিলে। নিশ্চয় সেইটোৱেই আছিল বিধাতাৰো অভিপ্ৰেত, কাৰণ এডৱাৰ্ড গিবনে তেওঁৰ যৌৱনৰ সৰ্বশ্ৰেষ্ঠ বছৰকেইটা লুছানত অতিবাহিত নকৰা হ'লে তেওঁ গিবন হ'লহেঁতেন নে নাই সেই বিষয়ে সন্দেহ আছে।

91. "পৃথিৱীত এতিয়ালৈকে যিমানবোৰ কিতাপ ৰচিত হৈছে, সেইবোৰৰ ভিতৰত মাত্ৰ কেইখনমানহে পঢ়িবৰ যোগ্য।"
— উদ্ধৃত উক্তিটো কাৰ ?

(1) লৰেন্স ডাৰেলৰ (2) শ্বপেনহাৱাৰৰ
(3) এডৱাৰ্ড গিবনৰ (4) উদ্ধৃত ৰচনাখণ্ডৰ লেখকৰ

92. গিবনক কোনে জোৰকৈ লুছান চহৰলৈ পঠাই দিছিল ?

(1) ৰোমান কেথলিক বৰমূৰীয়াসকলে (2) গিবনৰ অভিভাৱকসকলে
(3) ছুইজাৰলেণ্ডৰ বাসিন্দা কিছুমানে (4) অক্সফোৰ্ডৰ অধ্যাপকসকলে

93. এডৱাৰ্ড গিবনৰ বিষয়ে তলত দিয়া উক্তিকেইটাৰ ভিতৰত কোনটো শুদ্ধ ?

(1) গিবনে ৰোমান সাম্ৰাজ্যৰ ইতিহাসৰ বিষয়ে গ্ৰন্থ ৰচনা কৰিছিল
(2) গিবনে মাউণ্ট এভাৰেষ্ট গিৰিশৃংগ আৰোহণ কৰিছিল
(3) গিবন আছিল অসাধাৰণ বুদ্ধিমত্তাৰ ছাত্ৰ
(4) গিবনে অক্সফোৰ্ডত থাকোঁতে কেথলিক ধৰ্মমত ত্যাগ কৰি প্ৰটেষ্টাণ্ট ধৰ্মমতত দীক্ষিত হ'ব বিচাৰিছিল

94. ৰচনাখণ্ডত ব্যৱহৃত 'অবিনাশী' শব্দটোৰ সমাৰ্থসূচক শব্দটো হৈছে —

(1) বিনাশ যি কৰে (2) কীৰ্তিস্তম্ভ (3) অবিস্মৰণীয় (4) শ্বাশ্বত

95. 'আলেকজেণ্ড্ৰিয়েন কোৱাৰ্টেট'-ৰ লেখক কোন ?

(1) শ্বপেনহাৱাৰ (2) মিল্টন (3) এডৱাৰ্ড গিবন (4) লৰেঞ্চ ডাৰেল

96. ". . . তাৰ কাৰণে মোক অকণো দোষে চুব নোৱাৰিলেহেঁতেন।"
— উদ্ধৃত বাক্যটোত লেখকে কিহৰ কাৰণে তেওঁক দোষে চুব নোৱাৰাৰ কথা কৈছে ?

(1) 'ডিক্লাইন এণ্ড ফল'ৰ বিষয়ে নজনাৰ কাৰণে
(2) 'ডিক্লাইন এণ্ড ফল' নপঢ়াকৈয়ে কিতাপখন এশখন সৰ্বশ্ৰেষ্ঠ কিতাপৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ ওলোৱাৰ কাৰণে
(3) 'এশখন সৰ্বশ্ৰেষ্ঠ কিতাপৰ তালিকা' প্ৰস্তুত কৰিব নোৱাৰাৰ কাৰণে
(4) 'ডিক্লাইন এণ্ড ফল' কিতাপখন নপঢ়াৰ কাৰণে

97. ঐতিহাসিক শব্দটোৰ প্ৰত্যয় ভাঙি দেখুওৱাক।

(1) ইতি + হাসিক (2) ঐতি + হাসিক
(3) ইতিহাস + ইক্ (4) ঐত + ই + হাস্ + ইক্

98. "জগদ্বিখ্যাত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ তেতিয়া কিন্তু অতি শোচনীয় অৱস্থা।"
উদ্ধৃত বাক্যটোৰ ৰেখাংকিত শব্দটো হৈছে —

(1) উপসৰ্গ (2) জতুৱা ঠাঁচ (3) স্বৰসন্ধি (4) ব্যঞ্জনসন্ধি

99. 'অনুপম গদ্যশৈলী' শব্দ দুটাত __________ ৰ প্ৰয়োগ হৈছে।

(1) সন্ধি (2) অব্যয় (3) বিশেষণ (4) প্ৰত্যয়

**নিৰ্দেশ ঃ** তলত দিয়া পদ্যটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **100**-ৰ পৰা **105** লৈ) আটাইতকৈ শুদ্ধ বিকল্পটো বাচি উলিয়াওক।

নিৰল নাম-গোন্ধে প্ৰাণ কোমলাই,
ফুলনিৰ এচুকত মুখ আমোলাই,
ফুলি ফুলি এটি পাহি কাব্য কাননত,
হৰিছিল কবি প্ৰাণ থাকি নিজানত।
সৰ্বগুণে বিভূষিতা অতুলনা সীতা;
আৰু দুটি ৰূপৱতী জনক দুহিতা;
কৌশল্যা, কৈকেয়ী, সৰু সুমিত্ৰা সুন্দৰী,
সৌভাগ্য কিৰীটি পিন্ধা তিনি পটেশ্বৰী;
সাৱিত্ৰী, দ্ৰৌপদী, দময়ন্তী, জয়মতী;
ৰম্ভা, মন্দোদৰী, তাৰা, সতী, লীলাৱতী;
সৰমা, ৰুক্মিনী, ঊষা কত নাৰী-ফুল,
প্ৰকাশ্যে ফুলাই নৰ কৰিলে আকুল।
সুচতুৰ স্বৰ্গী কবি, স্বৰ্গৰ কাৰণে,
উৰ্মিলা পাহিটি থাকে অৰ্দ্ধেক গোপনে।

**100.** 'অৰ্দ্ধেক গোপনে' ফুলা ফুল পাহি বুলি কবিয়ে কাৰ কথা কৈছে ?

(1) ঊষাৰ কথা (2) জয়মতীৰ কথা (3) উৰ্মিলাৰ কথা (4) ৰুক্মিনীৰ কথা

**101.** কবিতাটো কবিয়ে মূলতঃ কাৰ বিষয়ে লিখিছে ?

(1) সীতাৰ বিষয়ে
(2) কাব্য কানন আৰু কবি প্ৰাণৰ বিষয়ে
(3) ফুলনি আৰু ফুলৰ বিষয়ে
(4) উৰ্মিলাৰ বিষয়ে

**102.** 'ফুলনিৰ এচুকত মুখ আমোলাই' ফুলি থকা পাহিটোৱে কি কৰিছিল ?

(1) সৰ্বগুণে বিভূষিতা হৈছিল
(2) ফুলনিৰ এচুকৰ পৰা ওলাই আহিছিল
(3) বৰ্ষা আহ্বান কৰিছিল
(4) নিজানত থাকি কবিৰ প্ৰাণ হৰিছিল

**103.** "সৌভাগ্য কিৰীটি পিন্ধা তিনি পটেশ্বৰী"

এই বাক্যটোত তিনি পটেশ্বৰী বুলি কৈ কাক বুজাইছে ?

(1) উৰ্মিলা, সুমিত্ৰা আৰু সীতাক
(2) ৰম্ভা, মন্দোদৰী আৰু তাৰাক
(3) জনক ৰজাৰ দুহিতা কেইগৰাকীক
(4) কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰাক

**104.** কোনগৰাকী পুৰাকথাভিত্তিক নাৰীৰ উল্লেখ উদ্ধৃত পদ্যটোত নাই ?

(1) কুন্তী (2) দ্ৰৌপদী (3) সৰমা (4) সতী

**105.** উদ্ধৃত পদ্যটিত কবিতাৰ কোনবিধ অলংকাৰৰ প্ৰয়োগ হৈছে ?

(1) শ্লেষ (2) অনুপ্ৰাস (3) পুনৰুক্ত বদাভাস (4) যমক

106. এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকন শৈলী আৰু অগ্ৰাধিকাৰৰ বিষয়ে জানিবৰ কাৰণে এখন প্ৰশ্নতালিকা দিছে। এইক্ষেত্ৰত শিক্ষকজনে কি ভূমিকা পালন কৰিছে ?

(1) বিশেষজ্ঞৰ তথ্যৰ যোগানধৰোঁতা (2) নিৰ্ণায়ক বা নিদান দিওঁতা

(3) মেনেজাৰ (4) প্লেনাৰ

107. **উক্তি (A) :** শ্ৰেণীকোঠাৰ শিকন অভিজ্ঞতাসমূহ শিশুৰ জীৱন আৰু তাৰ প্ৰসংগসমূহৰ সৈতে গভীৰভাবে সম্পৰ্কিত।

**যুক্তি (R) :** শিশুৰ পূৰ্ব-অভিজ্ঞতাৰ ভেঁটিতে শিকন অভিজ্ঞতাসমূহৰ পৰিকল্পনা কৰা হয়।

তলত দিয়া বিকল্পকেইটাৰ আটাইতকৈ শুদ্ধটো বাছি উলিওৱাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ শুদ্ধ ব্যাখ্যা

(4) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ শুদ্ধ ব্যাখ্যা নহয়

108. ভাষা শিকাৰ ক্ষেত্ৰত তলত দিয়া কোনটো শুদ্ধ **নহয়**?

(1) ভাষা শিকা হৈছে অৰ্থ নিৰ্মাণ কৰা।

(2) ভাষা এটা শিকিবলৈ হ'লে ব্যাকৰণ শিকাটো প্ৰয়োজনীয়।

(3) ভাষা এটাৰ সৈতে পৰ্যাপ্ত পৰিমাণে জড়িত হোৱাৰ সুযোগ পালে সকলো শিকাৰুৱে ভাষাটো শিকিব পাৰে।

(4) ভাষা শিকিবলৈ সময় লাগে।

109. **উক্তি (A) :** ভাষাই সাংস্কৃতিক সজাগতা আৰু প্ৰকাশভংগীৰ সমালোচনাত্মক দিশ গঢ়ি তোলে আৰু ই শিশুৰ বিকাশত এক প্ৰধান দক্ষতা হিচাপে স্বীকৃত।

**যুক্তি (R) :** সাংস্কৃতিক সজাগতা আৰু প্ৰকাশভংগীৰ দক্ষতাই শিশুক নিজৰ পৰিচয়ৰ বিষয়ে সজাগ কৰাৰ লগতে আনৰ সংস্কৃতি আৰু পৰিচয়ক স্বীকৃতি তথা প্ৰশংসা কৰিবলৈ শিকায়।

তলৰ বিকল্পসমূহৰ পৰা আটাইতকৈ উপযুক্তটো বাছি উলিওৱাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ সঠিক ব্যাখ্যা

(4) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ সঠিক ব্যাখ্যা নহয়

110. **উক্তি (A) :** প'ৰ্টফলিঅ' হৈছে ছাত্ৰ-ছাত্ৰীয়ে কৰা কামবোৰৰ উদ্দেশ্য প্ৰণোদিত সংগ্ৰহ।

**যুক্তি (R) :** প'ৰ্টফলিঅ'ই ছাত্ৰ-ছাত্ৰীক নিজৰ নিজৰ সামৰ্থ আৰু দুৰ্বলতাবোৰ মূল্যায়ন কৰিবলৈ উৎসাহিত কৰে।

তলত দিয়া বিকল্পসমূহৰ আটাইতকৈ শুদ্ধটো বাছি উলিওৱাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ শুদ্ধ ব্যাখ্যা

(4) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ শুদ্ধ ব্যাখ্যা নহয়

**111.** পাঠ্যপুথিবোৰত গল্প, কবিতা, নাটক আৰু বিভিন্ন লেখকৰ বিভিন্ন ধৰণৰ লেখা থাকে। আমি এনেধৰণৰ সামগ্ৰী নিৰ্বাচন কৰা উচিত, কাৰণ সেইবোৰ —

(1) বিখ্যাত লেখকৰ দ্বাৰা লিখা হয়।

(2) সহজ ভাষাত লিখা হয়।

(3) নিৰ্ভৰযোগ্য আৰু স্বাভাৱিক ভাষাৰ হয়।

(4) পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যেৰেই লিখা হয়।

**112.** তলত দিয়া কেইটাৰ ভিতৰত কোনটো পঠনৰ এক উপ-দক্ষতা **নহয়** ?

(1) নিৰ্দিষ্টকৈ প্ৰয়োজনীয় তথ্য বাচি উলিয়াবৰ কাৰণে স্কেনিং কৰা বা সাৰ গ্ৰহণ কৰা

(2) প্ৰতিটো শব্দৰে বানান জনা

(3) শব্দভাণ্ডাৰ চিনি পোৱা, বীজ শব্দ বাচি লোৱা

(4) অচিনাকি ভাষা সামগ্ৰী বা পদ এটাৰ অৰ্থ আৰু প্ৰয়োগ নিৰ্ণয় কৰা

**113.** ভাষা বিকাশৰ বোধশক্তি সম্বন্ধীয় সূত্ৰ তথা Cognitive Theory-এ মত পোষণ কৰে যে —

(1) সমাজৰ সৈতে কথা-বতৰা বা ভাব বিনিময়ৰ দ্বাৰা ভাষা শিকা হয়

(2) শিশু এটাই মৌখিকভাৱে কোৱাৰ আগতে ধাৰণাটো বুজি পোৱাটোৰ ওপৰত ভাষাৰ শিকন নিৰ্ভৰ কৰে

(3) ভাষা প্ৰত্যেকৰে এক জন্মগত বা সহজাত দক্ষতা

(4) পুৰস্কাৰ প্ৰদান আৰু শাস্তিবিধানৰ দ্বাৰা ভাষা শিকা হয়

**114.** ছবি থকা কিতাপৰ ছবিবোৰৰ ক্ষেত্ৰত তলৰ কোনটো **অশুদ্ধ** ?

(1) ছবিবোৰ চাই শিশুৱেও তেনে ছবি অঁকাৰ সুযোগ দিয়ে

(2) অচিনাকি আৰু মনত ৰাখিবলগা প্ৰসংগবোৰত ভাষা প্ৰকাশত সহায় কৰে

(3) ছবিবোৰে বিষয়বস্তুক তুলি ধৰে

(4) ছবিবোৰে শিশুৰ মনোযোগ ধৰি ৰাখে

**115.** কম বয়সীয়া শিকাৰুৰ ক্ষেত্ৰত তলত দিয়া কোনটো বিবৃতি শুদ্ধ ?

(1) একেবাৰে কম বয়সীয়া শিকাৰুৱে আংশিকভাৱে বিমূৰ্ত ধাৰণাসমূহ বুজি পায়।

(2) বিমূৰ্ত ধাৰণাসমূহৰ দ্বাৰা একেবাৰে কম বয়সীয়া শিকাৰু অনুপ্ৰাণিত হয়।

(3) বিমূৰ্ত ধাৰণাসমূহ একেবাৰে কম বয়সীয়া শিকাৰুৱে বুজি পায়।

(4) একেবাৰে কম বয়সীয়া শিকাৰুৱে বিমূৰ্ত ধাৰণাসমূহ বুজি পাবলৈ টান পায়।

Prepp
Your Personal Exams Guide

**116.** প্ৰথম মানৰ এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীহঁতক সিহঁতৰ যি মন যায় তাকে দেৱালত আঁক-বাক কৰিবলৈ আৰু ছবি আঁকিবলৈ দিছে। এনে কৰাৰ দ্বাৰা শিক্ষকগৰাকীয়ে কি উৎসাহিত কৰিছে ?

(1) লিখন দক্ষতাৰ বিকাশ
(2) বৰ্ণমালাৰ আখৰবোৰ লিখাৰ আৰম্ভণি কৰা
(3) প্ৰাৰম্ভিক স্তৰৰ সাক্ষৰতা আৰু বিকাশ
(4) আনন্দ আৰু হাস্যৰস

**117.** বিজ্ঞানৰ ধাৰণা কিছুমানৰ বিষয়ে এটা পাঠ এটা বুজি লৈ পঢ়োতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ভাষা শিকনৰ কিছুমান দিশ লক্ষ্য কৰিছে। তেওঁ বিশেষ দিশ কিছুমানত অসুবিধা পোৱা ছাত্ৰ-ছাত্ৰী কেইজন বাচি উলিয়াইছে আৰু সিহঁতক বুজি পোৱাকৈ পঢ়াত সহায় কৰিবলৈ সুকীয়াকৈ শ্ৰেণী লৈছে। এই শিক্ষণ অনুশীলনটো হৈছে —

(1) চিন্তাৰ কৌশল
(2) ফীড্‌বেক শিক্ষণ
(3) নিদানমূলক (Remedial) শিক্ষণ
(4) উচ্চস্তৰীয় অন্যান্য কৌশল বা দক্ষতা

**118.** ছাত্ৰ-ছাত্ৰীয়ে দোকান এখনলৈ গৈ কিবা কিনিবৰ কাৰণে প্ৰয়োজন হোৱা কাৰ্যকৰী ভাষ্য ব্যৱহাৰ কৰিব পাৰিব নে নাই সেয়া জানিবৰ কাৰণে কি কৰা উচিত ?

(1) দোকানী আৰু গ্ৰাহকৰ এটা চুটি গল্প পঢ়া
(2) দোকানী আৰু গ্ৰাহকৰ এখন চিত্ৰ অংকন কৰা
(3) দোকানী আৰু গ্ৰাহকৰ মাজত হোৱা কথোপকথনৰ চুটি সংলাপ লিখা
(4) তেওঁৰ খাদ্যৰ অগ্ৰাধিকাৰৰ বিষয়ে লিখা

**119.** এগৰাকী শিক্ষক হিচাপে তোমাৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ কথা-বতৰা তথা ভাব-বিনিময় বৃদ্ধি কৰিবৰ কাৰণে তলত দিয়া কোনটো পদক্ষেপ গ্ৰহণ কৰিবা ?

(a) ছাত্ৰ-ছাত্ৰীক অধিক প্ৰশ্ন কৰিবলৈ উৎসাহ যোগোৱা
(b) যুটীয়া আৰু দলবদ্ধ কৰ্ম কিছুমান কৰিবলৈ দি ছাত্ৰ-ছাত্ৰীসকলৰ মত সোধা
(c) ছাত্ৰ-ছাত্ৰীসকলক ডাঙৰ-ডাঙৰকৈ পাঠ পঢ়িবলৈ দিয়া আৰু প্ৰত্যেককে সহাৰি জনাবলৈ দিয়া, যাতে একক বা ব্যক্তি অনুসাৰে শিকন সম্ভৱ হয়
(d) সংলাপসমূহ এজনে আনজনক পঢ়িবলৈ দিয়া, যাতে ইজনে সিজনৰ সৈতে কথা হ'ব পাৰে আৰু ইজনে-সিজনক প্ৰশ্ন সুধিব পাৰে

(1) (a), (b), (d) শুদ্ধ
(2) (a), (c), (d) শুদ্ধ
(3) (a), (b), (c) শুদ্ধ
(4) (b), (c), (d) শুদ্ধ

**120.** এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰিবৰ কাৰণে এক বিশ্বাসযোগ্য আৰু ছাত্ৰ-ছাত্ৰীৰ কাৰণে সহজ হোৱাকৈ প্ৰস্তুত কৰা ভাষা সামগ্ৰী কৰিছে। এই শিক্ষণ সামগ্ৰীবিধ হৈছে —

(1) দ্বিভাষিক অভিধান
(2) স্তৰ অনুসৰি পঠন পুথি
(3) বাতৰি কাকত
(4) ৰ'ল-কাৰ্ড

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

Prepp
Your Personal Exams Guide

## PART-V

## LANGUAGE-II

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

**নিৰ্দেশ ঃ** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **121**-ৰ পৰা **128** লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰক।

বিহুৰ মাজেৰে অসমৰ ক্ৰীড়া অথবা খেলে শৈশৱত ভৰি দিলেও আহোম যুগত অসমৰ ক্ৰীড়াই গা কৰি উঠিছিল। আমি অসমত যদি ক্ৰীড়াৰ পৃষ্ঠপোষকতাৰ কথা কওঁ তেতিয়া হ'লে আহোম যুগক শ্ৰদ্ধা সহকাৰে সুঁৱৰিব লাগিব। আহোম স্বৰ্গদেউ অথবা ৰাজপৰিয়ালৰ পৰা খেলক যিদৰে পৃষ্ঠপোষকতা আগ বঢ়োৱা হৈছিল, সেয়া হয়তো আজিৰ চৰকাৰেও আগ বঢ়োৱা নাই। তাহানি এতিয়াৰ দৰে ক্ৰিকেট-ফুটবল আদি নাছিল। কিন্তু আছিল ম'হ যুঁজ, মাল যুঁজ, দৌৰা, তৰোৱাল খেল, শেন মেলা, ঘোঁৰা দৌৰ, কাঁড় খেল ইত্যাদি। আমি ম'হ যুঁজক বৰ্তমান স্পেইনৰ বাফেলো যুঁজ, তৰোৱাল খেলক ফেন্সিং, ঘোঁৰা দৌৰক ইকুৱেষ্ট্ৰিয়ান, কাঁড় খেলক আৰ্চাৰী, মাল যুঁজক ৰেষ্টলিং বুলি ক'ব পৰোঁ। এনেবোৰ খেলক ৰাজপৰিয়ালে অথবা আহোম শাসনকৰ্তাসকলে পৃষ্ঠপোষকতা আগ বঢ়াইছিল বিভিন্ন মাধ্যমেৰে। ৰজাঘৰে এই ক্ষেত্ৰত মুকলি মনেৰে কাম কৰি গৈছিল। তেতিয়াই বিশেষ বিশেষ খেলৰ বাবে বিষয়া, প্ৰশিক্ষক পৰ্যন্ত নিযুক্তি দি ক্ৰীড়াৰ প্ৰতি জনগণৰ মন আকৰ্ষণৰ প্ৰয়াস কৰিছিল। সেই কালৰ অন্যান্য ৰাজ্যসমূহত এনে কাৰ্যৰ বা আঁচনিৰ অভাৱ পৰিলক্ষিত হয়। এই দিশবোৰ পৰ্যালোচনা কৰাৰ আগেয়ে আমি উল্লেখ কৰাটো উচিত হ'ব যে এছিয়াৰ প্ৰথম স্প'ৰ্টছ পেভিলিয়ন অথবা ক্ৰীড়া পেভিলিয়নৰ কথা। এই পেভিলিয়নটো অন্য একো নহয়— অসমৰ সবাৰে পৰিচিত শিৱসাগৰৰ ৰূপহী পথাৰৰ ৰংঘৰ। ৰংঘৰে গৰ্বৰে সোঁৱৰায় আহোম যুগৰ ক্ৰীড়া প্ৰেমৰ কথা।

ৰংঘৰৰ লেখীয়া পেভিলিয়ন নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল স্বৰ্গদেউ ৰুদ্ৰসিংহই। কাঠৰ পাতেৰে এই পেভিলিয়ন নিৰ্মাণৰ বুনিয়াদ স্থাপন কৰিছিল। স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত ৰংঘৰক পূৰ্ণ ৰূপ দিয়ে। ৮৮ ফুট দৈৰ্ঘ্য আৰু ৩৬.৫ ফুট বহল পেভিলিয়নত একেলগে বহি আহোম ৰাজপৰিয়ালে উপভোগ কৰিছিল খেল আৰু বিহুৰ বিভিন্ন সমাৰোহৰ বহু উমাল মুহূৰ্ত। দুফুট মোটা ইটাৰে ইয়াৰ বেৰ নিৰ্মাণ কৰা হৈছিল। তেলাল মাছ, মাটি দাইল, কণী, চাউল আৰু অন্যান্য কিছুমান বস্তুৰ মিশ্ৰণক চিমেণ্ট হিচাপে ব্যৱহাৰ কৰা হৈছিল। এনেদৰেই নিৰ্মিত হৈছিল এছিয়াৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন। এই পেভিলিয়ন নিৰ্মাণৰ পিছত কেইবাটাও বিধ্বংসী ভূমিকম্পই অসম জোকাৰি গৈছে; কিন্তু আঢ়ৈশ বছৰ অতিক্ৰমৰ পাছতো ই গুৰু-গম্ভীৰভাৱে গৌৰৱেৰে থিয় দি আছে। পৰৱৰ্তী কালত ৰংঘৰৰ কাষতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই আন এটা পেভিলিয়ন নিৰ্মাণ কৰিছিল। ইংৰাজে ইয়াণ্ডাবু সন্ধিৰ আধাৰত অসমক শাসনলৈ অনাৰ পাছত বথাম উপাধিৰ এজন শাসনকৰ্তাই অসমৰ গৌৰৱ ৰংঘৰক নিশ্চিহ্ন কৰাৰ পৰিকল্পনা ৰচিছিল। ব্ৰিটিছে ১৩০০ টকাত স্থানীয় এজন ব্যক্তিক ৰংঘৰটো বিক্ৰী কৰিছিল। তেতিয়াই ইয়াক ভাঙি দিয়াৰ প্ৰয়াস কৰা হৈছিল বুলি পৰাগধৰ চলিহাৰ Aspects of Assamese Culture নামৰ গ্ৰন্থত উল্লেখ কৰা হৈছে। তথাপি ৰংঘৰে আজিও ৰূপহীপথাৰত গৌৰৱৰ চানেকি হৈ আহোম যুগৰ গৌৰৱপূৰ্ণ ক্ৰীড়া পৃষ্ঠপোষকতাৰ কথা সোঁৱৰাই আছে।

Prepp
Your Personal Exams Guide

**121.** ৰংঘৰৰ নিৰ্মাণ কেতিয়া সম্পূৰ্ণ হৈছিল ?

(1) 1746 চনত (2) 1846 চনত (3) 1745 চনত (4) 1826 চনত

**122.** পৰাগধৰ চলিহাৰ দ্বাৰা ৰচিত এখন গ্ৰন্থ হৈছে —

(1) Aspects of Assamese Culture

(2) Assamese Culture

(3) পুৰণি যুগৰ খেল-ধেমালি

(4) অসমীয়া সংস্কৃতি আৰু ৰংঘৰ

**123.** বথাম উপাধিধাৰী ব্যক্তিজন আছিল —

(1) এজন ইতিহাসবিদ (2) এজন ক্ৰীড়াবিদ

(3) এজন ব্যৱসায়ী (4) এজন শাসনকৰ্তা

**124.** উদ্ধৃত ৰচনাখণ্ডটোৰ পঠনৰ আধাৰত শুদ্ধ উক্তিটো বিচাৰি উলিওৱাক।

(1) শেন মেলাৰ অৰ্থ হৈছে শেন চৰাইৰ বজাৰ বা মেলা

(2) পুৰণি অসমৰ ক্ৰীড়া আৰু লোক উৎসৱ বিহুৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই

(3) আহোম যুগত বিশেষ খেলৰ বাবে বিশেষ প্ৰশিক্ষকক নিযুক্তি দিয়া হৈছিল

(4) আজিৰ চৰকাৰে খেলক পৃষ্ঠপোষকতা আগবঢ়োৱা নাই

**125.** কোনে কাক ৰংঘৰটো তেৰশ টকাত বিক্ৰী কৰিছিল ?

(1) বৃটিছে, স্থানীয় ব্যক্তি এজনক

(2) স্বৰ্গদেউ ৰুদ্ৰসিংহই, বৃটিছক

(3) স্বৰ্গদেউ ৰুদ্ৰসিংহই, স্বৰ্গদেউ প্ৰমত্ত সিংহক

(4) স্বৰ্গদেউ প্ৰমত্ত সিংহই, বৃটিছক

**126.** 'পৰিকল্পনা' শব্দটোত __________ ৰ প্ৰয়োগ হৈছে।

(1) সমাস (2) বিশেষণ (3) সন্ধি (4) উপসৰ্গ

Prepp
Your Personal Exams Guide

**127.** আহোম যুগৰ পুৰণি খেল-ধেমালি কিছুমান আৰু আধুনিক যুগৰ খেল কিছুমানৰ নাম **'ক'** আৰু **'খ'** স্তম্ভ ত দিয়া হৈছে। স্তম্ভ দুটা মিলাই উত্তৰ নিৰ্বাচন কৰক।

| | **'ক' স্তম্ভ** | | **'খ' স্তম্ভ** |
|---|---|---|---|
| (a) | কাঁড় খেল | (i) | ইকুৱেষ্ট্ৰিয়ান |
| (b) | ঘোঁৰা দৌৰ | (ii) | আৰ্চাৰী |
| (c) | তৰোৱাল যুঁজ | (iii) | ৰেষ্টলিং |
| (d) | মাল যুঁজ | (iv) | ফেন্সিং |

(1) (a) - (iv), (b) - (iii), (c) - (ii), (d) - (i)
(2) (a) - (iii), (b) - (iv), (c) - (i), (d) - (ii)
(3) (a) - (ii), (b) - (i), (c) - (iv), (d) - (iii)
(4) (a) - (i), (b) - (ii), (c) - (iii), (d) - (iv)

**128.** ৰংঘৰৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি শুদ্ধ **নহয়** ?
(1) স্বৰ্গদেউ প্ৰমত্ত সিংহই ৰংঘৰক পূৰ্ণ ৰূপত সজাই তুলিছিল
(2) কেইবাটাও বিধ্বংসী ভূমিকম্পৰ পাছতো ৰংঘৰ গৌৰৱেৰে থিয় দি আছে
(3) ৰংঘৰ বিশ্বৰ প্ৰথম ক্ৰীড়া পেভিলিয়ন
(4) ৰংঘৰ এছিয়াৰ প্ৰথম ক্ৰীড়া পেভিলিয়ন

**নিৰ্দেশ ঃ** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **129**-ৰ পৰা **135** লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উত্তৰ কৰক।

সাগৰকন্যা লক্ষ্মীৰ পতি ভগৱান শ্ৰীকৃষ্ণৰ নামৰ মহিমা অপাৰ। তেওঁৰ নাম শ্ৰৱণ কৰা মাত্ৰকে জগতৰ সকলো বস্তুৱেই পবিত্ৰ হয়, উদ্ধাৰ হয়। এইজন ভগৱানেই প্ৰলয় জলত বেদসমূহক উদ্ধাৰ কৰিছিল। শংকৰদেৱে 'কীৰ্ত্তন ঘোষা'ৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনাত লিখিছে ঃ

"মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।"

বেদসমূহে কৃষ্ণক স্তুতি কৰা কথাৰে 'বেদস্তুতি' বুলি অধ্যায় এটাও কীৰ্ত্তনত সংযোজিত হৈছে। বেদত্ৰাতা বা শ্ৰুতত্ৰাতা শ্ৰীকৃষ্ণৰ নাম কোনোবাই যদি স্মৰণ কৰে, তেন্তে তেওঁৰ কামনা সিদ্ধি হয়। দীন বা অভাগাৰ প্ৰতি তেওঁৰ কৰুণা অপাৰ। ভক্তৰ একান্ত কাম্য মুক্তিপদ তেওঁ ভক্তসকলক দান কৰে।

এই জগতৰ জীৱনস্বৰূপ শ্ৰীকৃষ্ণ চিৰন্তন, সত্য আৰু সনাতন। মংগলময় শিৱৰূপে তেৱেঁই বিৰাজমান। সেইবাবে কোৱা হয় সত্যম, শিৱম, সুন্দৰম। তেওঁ ৰাক্ষসসকলক বিনাশ কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিছিল। কেশী, মধু, মুৰ আদি অসুৰক বধি জগতৰ আন্ধাৰ হৰণ কৰিছিল বাবেই 'জগতবন্ধুবিধু' বুলি কোৱা হয়। তেওঁৰ অনুপম শাৰীৰিক ৰূপৰ বৰ্ণনাও কবিয়ে কৰিছে। পীতবসন পৰিধান কৰা শ্ৰীকৃষ্ণৰ শাৰীৰিক সৌন্দৰ্যই শৰৎকালৰ জোনৰ সৌন্দৰ্যকো চেৰ পেলায়। এনে 'মধুৰ মূৰুতি'ধাৰী ভগৱানৰ চৰণ-কমললৈ কবিয়ে সেৱা জনাইছে।

কবিতা বা গীতৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা এটি বিষয় হৈছে কাব্যিক সৌন্দৰ্য। ভাব, ভাষা, ছন্দ, অলংকাৰ ব্যঞ্জনা আদিৰ মাজেৰে কাব্যিক সৌন্দৰ্য প্ৰকাশিত হয়। "জয় জয় জলনিধিজা ধৱ ধাতা" শীৰ্ষক বৰগীতটিত 'জগতজনজীৱন অজন জনাৰ্দন দনুজ দমন দুখহাৰী' শাৰীটোত 'জ' আৰু 'দ' ব্যঞ্জন বৰ্ণ দুটা বাৰে বাৰে ব্যৱহাৰ কৰি কবিয়ে ধ্বনিমাধুৰ্যৰ সৃষ্টি কৰিছে। একেদৰে শৰতৰ জোনৰ লগত তুলনা কৰি শ্ৰীকৃষ্ণৰ সৌন্দৰ্য-মাধুৰী অধিক সুন্দৰ ৰূপত তুলি ধৰিছে। সাহিত্য-সৌন্দৰ্য বিচাৰত ই এটি উৎকৃষ্ট সৃষ্টি।

Prepp
Your Personal Exams Guide

**129.** "এনে মধুৰ - মূৰুতি'ধাৰী ভগৱানৰ চৰণ-কমললৈ কবিয়ে সেৱা জনাইছে।"
বাক্যটোৰ ৰেখাংকিত অংশটো হৈছে —
(1) সন্ধি (2) প্ৰত্যয় (3) উপমা (4) সমাস

**130.** তলত উল্লেখ কৰা কোনটো শ্ৰীকৃষ্ণৰ নাম নহয় ?
(1) মুৰাৰি (2) বেণুধৰ (3) জনাৰ্দন (4) পীতবসন

**131.** শ্ৰীকৃষ্ণই বহুতো অসুৰ নিধন কৰি জগতৰ আন্ধাৰ হৰণ কৰিছিল কাৰণে ________ বুলি কোৱা হয়।
(1) জগন্নাথ (2) জগতবন্ধুবিধু (3) মুৰাৰি (4) অৰিজিৎ

**132.** 'বেদস্তুতি' কি ?
(1) কীৰ্তনৰ এটা অধ্যায় (2) বেদত উল্লেখ থকা কিছুমান শ্লোকৰ সমষ্টি
(3) ৰুক্মিনীৰ বিপ্ৰগুৰু বেদনিধিৰ অন্য নাম (4) বেদত্ৰাতা বা শ্ৰুতত্ৰাতা

**133.** কেশী, মধু আৰু মুৰ হৈছে —
(1) কৃষ্ণৰ নাম (2) অসুৰৰ নাম
(3) চুলি, মৌ আৰু শিৰ (4) কেশবিন্যাস আৰু মৌমাখি

**134.** উদ্ধৃত ৰছনাখণ্ডত কিহৰ বিষয়ে আলোচনা কৰা হৈছে ?
(1) শংকৰদেৱৰ বিষয়ে (2) পুৰণি অসমীয়া সাহিত্যৰত ধৰ্ম আৰু আধ্যাত্মিকতাৰ বিষয়ে
(3) শংকৰদেৱৰ কীৰ্তন-ঘোষাৰ বিষয়ে (4) শংকৰদেৱৰ এটি বৰগীতৰ বিষয়ে

**135.** লক্ষ্মীদেৱীৰ অন্য নাম জলনিধিজা। কাৰণ,
(1) স্বামী কৃষ্ণই লক্ষ্মীৰ নাম জলনিধিজা ৰাখিছিল
(2) লক্ষ্মীদেৱীৰ অনেক নাম আছে
(3) দেৱী লক্ষ্মী সাগৰৰ কন্যা
(4) দেৱী লক্ষ্মী ধনৰ দেৱী

**136.** শিশুক সাধু কোৱাৰ ক্ষেত্ৰত তলৰ কোনটো উক্তি **অশুদ্ধ** ?
(1) সাধুৰ পৰা সিহঁতে সমস্যা সমাধান কৌশল শিকে
(2) সাধুৰ পৰা সিহঁতে জীৱনত অনুসৰণ কৰিবলগা নতুন নতুন নৈতিক মূল্য শিকে
(3) সাধু শুনিলে শিশুৱে নতুন নতুন শব্দ শিকে আৰু শব্দভাণ্ডাৰ বৃদ্ধি কৰে
(4) সাধু শুনি শিশুৱে বাক্যৰ গঠন শিকে

Your Personal Exam Guide

Prepp
Your Personal Exams Guide

137. এগৰাকী শিক্ষকে তেওঁ পঢ়ুৱাই থকা পাঠটোৰ প্ৰসংগ থকা এটা ভিডিঅ' দেখুৱাই ছাত্ৰ-ছাত্ৰীবোৰক সেই ভিডিঅ'টোৰ আধাৰত জোৰপতা বা যুটীয়া কাৰ্য কৰিবলৈ দিয়ে। শিক্ষকগৰাকীয়ে কৰিবলৈ দিয়া এই যুটীয়া কাৰ্যৰ উদ্দেশ্য কি ?

(1) স্বকীয়ভাৱে কাৰ্য কৰা

(2) ভাষা-সজাগতা বৃদ্ধি কৰা

(3) ছাত্ৰ-ছাত্ৰীৰ নিজৰ কাৰ্যৰ মূল্যায়ন কৰা

(4) ছাত্ৰ-ছাত্ৰীবোৰক একেলগে বেছি ক্ষিপ্ৰ গতি কাম কৰোৱা

138. গল্প আৰু তেনে কিছুমান গদ্যৰ এটা সংকলন ভাষা শিকাৰ এক পৰিপূৰক পঠন হিচাপে ৰখা হৈছে। এনে পৰিপূৰক পঠনৰ উদ্দেশ্য হৈছে —

(1) নৈতিক শিক্ষাক উৎসাহ দিয়া

(2) বিস্তৃত (extensive) পঠনৰ পৃষ্ঠপোষকতা কৰা

(3) বহুভাষিকতাক ব্যাপক কৰি তোলা

(4) ঐকান্তিক (intensive) পঠনৰ পৃষ্ঠপোষকতা কৰা

139. পঞ্চম মানৰ এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীক এটা সাধু লিখিবলৈ দিছে আৰু তেওঁ শ্ৰেণীকোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ খোজ কাঢ়ি কাঢ়ি সিহঁতৰ ভুলবোৰ শুধৰোৱাত সহায় কৰিছে অথবা নতুন শব্দ সুধিছে। এই ক্ষেত্ৰত শিক্ষকগৰাকীৰ ভূমিকা হৈছে —

(1) কাৰ্য সুচল আৰু উজু কৰোঁতা

(2) নিৰ্ণায়ক বা নিদান দিওঁতা

(3) মেনেজাৰ

(4) প্লেনাৰ

140. ভাষাৰ শিক্ষক এগৰাকীৰ মৌলিক দায়িত্ব হৈছে —

(1) শিকাৰুসকলত গোটত ভাগ কৰা

(2) শিকাৰুক নিৰ্দেশ দিয়া

(3) শিকাৰুৰ যোগাযোগৰ ক্ষেত্ৰত হোৱা ভাষাৰ অসুবিধা বা প্ৰয়োজনসমূহ চিহ্নিত কৰা

(4) শিক্ষণৰ কাৰণে বিষয় সামগ্ৰী বা বিষয়বস্তু নিৰ্বাচন কৰা

141. **উক্তি (A) ঃ** পঠন মানে কেৱল শব্দ একোটা শুদ্ধকৈ উচ্চাৰণ কৰাই নহয়।

**যুক্তি (R) ঃ** পঠনে অৰ্থোদ্ধাৰ কৰে।

আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ সঠিক ব্যাখ্যা

(4) **(A)** আৰু **(R)** দুয়োটাই শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ সঠিক ব্যাখ্যা নহয়

142. ভাষা শিক্ষণৰ ক্ষেত্ৰত তলত দিয়া কোনটো ধাৰণা বা অনুমান **অশুদ্ধ** ?

(1) ভাষাৰ শিক্ষণে যোগাযোগমূলক কাৰ্যসমূহত মনোযোগ দিয়া উচিত।

(2) ভাষাৰ শিক্ষণে কথনতকৈ লিখনত অধিক গুৰুত্ব দিয়া উচিত।

(3) বাস্তৱিক পৰিস্থিতিত ভাষাৰ ব্যৱহাৰৰ দ্বাৰা শিকাৰুৱে ভাষা শিকে।

(4) শিকাৰুৰ প্ৰথম ভাষাই ভাষা শিকাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

143. ভাষা আহৰণৰ আচৰণাত্মক সূত্ৰৰ সৈতে তলৰ কোনটো সম্পৰ্কিত **নহয়** ?

(1) প্ৰয়াস - প্ৰমাদ

(2) সামাজিক বাৰ্তা বা ভাব বিনিময়

(3) কাৰ্যকাৰক (operant) কণ্ডিশ্বনিং

(4) শূন্য পাত্ৰ

144. শিশুক একেবাৰে কম বয়সৰে পৰা __________ ভাষাৰ সৈতে পৰিচয় কৰাই নিমজ্জিত কৰা উচিত। (- বাক্যটোৰ খালী ঠাই উপযুক্ত বিকল্পৰে পূৰ কৰাঁ)

(1) কেইবাটাও মৌখিক

(2) কেইবাটাও লিখিত

(3) দুটা মৌখিক

(4) দুটা লিখিত

145. **উক্তি (A) ঃ** সাক্ষৰতাৰ প্ৰাৰম্ভিক স্তৰত ছবি বা চিত্ৰাংকনক আখৰ লিখাৰ আৰম্ভনি বুলি ধৰা হয়।

**যুক্তি (R) ঃ** ছবিবোৰ হৈছে চিহ্ন বা প্ৰতীক আৰু ছবিয়ে অৰ্থ বহন কৰে।

আটাইতকৈ উপযুক্ত বিকল্পটো চয়ন কৰাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ শুদ্ধ ব্যাখ্যা

(4) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ শুদ্ধ ব্যাখ্যা নহয়

146. ভাষা কাৰ্য কৰোঁৱা শিক্ষক এগৰাকীয়ে মিশ্ৰিত দক্ষতাৰ ছাত্ৰ-ছাত্ৰীবোৰক কিছুমান গোটত ভাগ কৰিছে। এনে ধৰণৰ মিশ্ৰিত দক্ষতাৰ গোট সৃষ্টি কৰাৰ উদ্দেশ্য হৈছে —

(1) ছাত্ৰ-ছাত্ৰীসকলক এজনে আনজনক সহায় কৰিবলৈ উৎসাহ দিয়া

(2) শিক্ষকৰ কামৰ বোজা হ্ৰাস কৰা, কাৰণ শিক্ষকগৰাকীয়ে সকলোকে গুৰুত্ব দিব নোৱাৰে

(3) দুৰ্বল ছাত্ৰ-ছাত্ৰীবোৰ চিহ্নিত কৰা

(4) মুক্তভাৱে ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশ কৰিবলৈ সুযোগ দিয়া

**147.** শিকাৰুৱে পঢ়া সাধু এটা সিহঁতৰ নিজৰ ভাষাত পুনৰ ক'বলৈ দিয়া কাৰ্য্যই তলত দিয়া কোনটোৰ মূল্যায়ন কৰাত সহায় কৰে?

(1) বোধগম্যতা (2) স্মৃতিশক্তি

(3) সঠিকতা (4) সাৱলীলতা বা অনৰ্গলতা

**148.** **উক্তি (A) ঃ** নিদানমূলক (Remedial) শিক্ষণ হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াটোৰ এক অপৰিহাৰ্য অংগ।

**যুক্তি (R) ঃ** নিদানমূলক শিক্ষণ হৈছে পুনৰবাৰ শিকোৱা, প্ৰয়োজনীয় নহয় যে একেটা ধৰণতে শিকোৱা, যেতিয়া ভাষা সামগ্ৰী এটা ভালদৰে শিকা নহয়।

আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।

(1) **(A)** শুদ্ধ, কিন্তু **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ, কিন্তু **(R)** শুদ্ধ

(3) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, আৰু **(R)** হৈছে **(A)**-ৰ সঠিক ব্যাখ্যা

(4) **(A)** আৰু **(R)** উভয়ে শুদ্ধ, কিন্তু **(R)**, **(A)**-ৰ সঠিক ব্যাখ্যা নহয়

**149.** সামান্য ধ্বনিগত বা অক্ষৰগত পাৰ্থক্য থকা, একেধৰণৰ উচ্চাৰণৰ কিন্তু ভিন ভিন অৰ্থৰ শব্দৰ জোৰ (minimal pair) অনুশীলনৰ দ্বাৰা কিহৰ বিকাশ হয় ?

(1) উচ্চাৰণ (2) পঠন বোধ (3) ব্যাকৰণ (4) শব্দভঁৰাল

**150.** বুনিয়াদী স্তৰত শিক্ষা গ্ৰহণ কৰোঁতে শিশুৱে কেতিয়া আটাইতকৈ সুচল পায় আৰু আটাইতকৈ ভালদৰে আয়ত্ত কৰিব পাৰে ?

(1) সিহঁতৰ গৃহ ভাষাত শিকালে

(2) ইংৰাজী মাধ্যমত শিকালে

(3) নিৰ্দেশৰ মাধ্যমত শিকালে

(4) চৰকাৰী ভাষাত শিকালে

- o 0 o -

SPACE FOR ROUGH WORK

Prepp
Your Personal Exams Guide

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

3. OMR উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ OMR উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু OMR উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/OMR উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰদ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. মবাইল ফোন, যিকোনো বেতাঁৰী সংযোগ সঁজুলি (আনকি চুইট্স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেনে পৰীক্ষাৰ্থীৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক OMR উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে OMR উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহীৰ খালী ঠাইত বাঁও হাতৰ বুঢ়া আঙুলিৰ ছাপ দিব লাগিব।

12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু OMR উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে OMR উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

Prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस OMR उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक OMR उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं OMR उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं OMR उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/OMR उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना OMR उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने OMR उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और OMR उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व OMR उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the OMR Answer Sheet is not folded. Do not make any stray marks on the OMR Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the OMR Answer Sheet.
4. Handle the Test Booklet and OMR Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and OMR Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/OMR Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their OMR Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the OMR Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and OMR Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the OMR Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***